**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-08-2026 **Time :** 1205 Hrs.

ৰাজহুৱা ওজৰ-আপত্তিৰ ক্ষিপ্ৰ আৰু স্বচ্ছ নিষ্পত্তিৰ বাবে গুজৰাট চৰকাৰে গ্ৰহণ কৰা প্ৰযুক্তিভিত্তিক পদক্ষেপৰ অভিজ্ঞতা আহৰণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি গান্ধীনগৰস্থিত স্বাগত প'ৰ্টেলৰ কাৰ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল আৰু উপ-মুখ্যমন্ত্ৰী হৰ্ষ সাংভিয়ে ডিজিটেল আৰ্হিটোৰ কাৰ্য প্ৰণালীৰ বিষয়ে ডঃ শৰ্মাক অৱগত কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সামাজিক মাধ্যমযোগে কয়, যে তেওঁ গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীৰ সৈতে বিভিন্ন খণ্ডৰ প্ৰশাসনিক সফলতা আৰু সেইবোৰ অসমত কেনেদৰে কাৰ্যকৰী কৰিব পাৰি সেই সম্পৰ্কে বিতংভাৱে আলোচনা কৰে। সুশাসন আৰু জনকল্যাণমূলক সেৱাৰ ক্ষেত্ৰত গুজৰাটে গ্ৰহণ কৰা পৰিকল্পনা আৰু অভিজ্ঞতাই অসমৰ উন্নয়নমূলক কাম-কাজ অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলিও ডঃ শৰ্মাই উল্লেখ কৰে।

বাইট

০০০০০০০

———মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি ৫ বজাত ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী আৰু সাংসদ বিজুলী কলিতা মেধিৰ উপস্থিতিত আমিনগাঁৱৰ সাঁতোৰ প্ৰকল্পস্থিত ৰাষ্ট্ৰীয় সাঁতোৰ উৎকৰ্ষ কেন্দ্ৰটো উদ্বোধন কৰিব।

ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ অধীনৰ এই কেন্দ্ৰটো এহেজাৰ ৩০৯ খন আসনবিশিষ্ট দৰ্শক গেলাৰীৰে সমৃদ্ধ। প্ৰকল্পটোত ৫০ মিটাৰ দৈৰ্ঘ্যৰ ৯টা লেনযুক্ত মূল প্ৰতিযোগিতামূলক পুল আৰু ৫ মিটাৰ গভীৰতাৰ ২৫-ইনটু-২০ মিটাৰ জোখৰ এটা ড্ৰাইভিং পুখুৰী অন্তৰ্ভুক্ত হৈ আছে। কেন্দ্ৰটোত ৩০গৰাকী এথলীটৰ প্ৰশিক্ষণৰ সুবিধা থাকিব। উদ্বোধনী অনুষ্ঠানত অসম ক্ৰীড়া প্ৰাধিকৰণ, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু ভাৰতীয় বেডমিণ্টন সংস্থাৰ মাজত এখন বুজাবুজি চুক্তি স্বাক্ষৰিত হ'ব।

০০০০০০

পুৱাৰেপৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটীৰ যোৰাবাটৰ ন-মাইল আৰু দহমাইলত সৃষ্টি হোৱা কৃত্ৰিম বানৰ ফলত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত দুয়ো দিশৰ পৰা যান-বাহনৰ চলাচল ব্যাহত হৈছে। অসম আৰক্ষীয়ে এনে পৰিস্থিতিলৈ চাই গুৱাহাটী অভিমুখে অহা যান-বাহনসমূহক ডিগাৰু হৈ আহিবলৈ আৰু গুৱাহাটীৰ পৰা যাবলগীয়া যান-বাহনসমূহক কইনাধৰাৰ পৰা নাৰেংগী হৈ যাবলৈ আহ্বান জনাইছে। বৰষুণৰ ফলত মহানগৰীৰ জুৰিপাৰ, পাঞ্জাবাৰীতো বানৰ সৃষ্টি হৈছে।

০০০০

গুৱাহাটীৰ জু-ৰোডৰ জিৰণী পথত থকা চিগাল থিয়েটাৰৰ প্ৰেক্ষাগৃহত কাইলৈ সন্ধিয়া ৬ বজাত আয়োজিত অনুষ্ঠানত অনাতাঁৰ, মঞ্চ আৰু চলচ্চিত্ৰ অভিনেত্ৰী মণি বৰদলৈক ২০২৫ বৰ্ষৰ বীণা প্ৰসাদ উৎকৰ্ষ বঁটা প্ৰদান কৰা হ'ব। বিশিষ্ট অভিনেত্ৰী জুৰি শৰ্মাই এই বঁটা প্ৰদান কৰিব। এই অনুষ্ঠানতে চিগাল থিয়েটাৰে ভাগিৰথী বাইৰ

পৰিচালনাত **দি কে অন্বেৰে** নামৰ নাটকখন মঞ্চস্থ কৰিব। উল্লেখযোগ্য যে অসমৰ অনাতাঁৰ, মঞ্চ আৰু চলচ্চিত্ৰৰ এগৰাকী বিশিষ্ট অভিনেত্ৰী বীণা প্ৰসাদৰ স্মৃতি প্ৰতি বছৰে বীণা প্ৰসাদ উৎকৰ্ষ বঁটা প্ৰদান কৰি অহা হৈছে।

০০০০০০

দেশৰ আন ঠাইৰ লগতে অসমতো আজি ভাতৃ-ভগ্নীৰ মাজৰ স্নেহ আৰু বিশ্বাসৰ পৱিত্ৰ বান্ধোনৰ উৎসৱ ৰাখী বন্ধন উদযাপন কৰা হৈছে। পৰম্পৰা অনুসৰি অই দিনটোত ভগ্নীসকলে ভাতৃৰ হাতত ৰং-বিৰঙী ৰাখী বান্ধি তেওঁলোকৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। বিনিময়ত ভাতৃসকলেও ভগ্নীসকলৰ সুৰক্ষাৰ পণ লয় আৰু স্নেহৰ চিনস্বৰূপে উপহাৰ আগবঢ়ায়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ৰাখী বন্ধন উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এই উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে ৰাখী বন্ধন প্ৰাচীন কালৰে পৰা দেশৰ সংস্কৃতি আৰু পৰম্পৰাৰ অবিচ্ছেদ্য অংগৰূপে পৰিগণিত হৈ আহিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও ৰাখী পূৰ্ণিমা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে ৰাজ্যৰ প্ৰতিগৰাকী ভনীৰ সুৰক্ষা, সন্মান, স্বাৱলম্বিতা আৰু উজ্জ্বল ভৱিষ্যতৰ বাবে চৰকাৰে সদায় দায়বদ্ধতাৰে কাম কৰি যাব।

০০০০০০০

মানকাচৰৰ জাওদাঙা গাঁও পঞ্চায়তত কালিৰে পৰা পঞ্চায়ত পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাখনত পঞ্চয়তটোৰ ১০টা ৱাৰ্ডৰ ১০টা ফুটবল দলে অংশগ্ৰহণ কৰিছে। কালিৰ উদ্বোধনী খেলখনত ১ আৰু ৩ নম্বৰ ৱাৰ্ডৰ দল দুটা মুখামুখি হয়। নৱ প্ৰজন্মক বিপথে যোৱাৰ পৰা ৰক্ষা কৰি ক্ৰীড়া ক্ষেত্ৰৰ প্ৰতি উৎসাহিত কৰাৰ লক্ষ্যৰে এই প্ৰতিযোগিতাৰ আয়োজন কৰা বুলি খেলখনৰ আয়োজক তথা স্থানীয় যুৱ ব্যৱসায়ী জাকিৰ ইছলামে প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**